**3 (Sem–1/CBCS) ASM HG/RC**

**2025**

# ASSAMESE

( Honours Generic/Regular )

Paper : ASM–HG/RC–1016

*( অসমীয়া ভাষাৰ ইতিহাস )*

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। উত্তৰ দিয়া ঃ ১×১০=১০

(ক) মাধৱ কন্দলিৰ ৰামায়ণত *কেইটা* কাণ্ড পোৱা যায়?

(খ) 'বুঢ়ী আইৰ সাধু' গ্ৰন্থখন কোন খ্ৰীষ্টাব্দত প্ৰথম প্ৰকাশ হৈছিল?

(গ) হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা অসমীয়া অভিধানখনৰ নাম কি?

(ঘ) 'বৰদোৱা-চৰিত' পুথিখন কোন শতাব্দীত ৰচিত?

(ঙ) মধ্যযুগত ৰচিত *যিকোনো এখন* প্ৰকাশিত বুৰঞ্জীৰ নাম লিখা।

(চ) 'দশম'ত শংকৰদেৱে ভাগৱতৰ দশম স্কন্ধৰ *কেইটা* অধ্যায় অনুবাদ কৰিছিল?

(ছ) কোনে মাধৱ কন্দলিক 'অপ্ৰমাদী' কবি ৰূপে স্বীকৃতি দিছিল?

(জ) *এজন* চৰ্যা ৰচকৰ নাম লিখা।

(ঝ) *Assamese : Its Formation and Development* গ্ৰন্থখন কাৰ ৰচনা?

(ঞ) কোনবিধ সাহিত্যিক প্ৰাকৃতৰ পৰা অসমীয়া ভাষা উদ্ভৱ হৈছে?

২। চমুকৈ উত্তৰ দিয়া ঃ ২×৫=১০

(ক) 'বুঢ়ী আইৰ সাধু' সংকলনখনত থকা *যিকোনো দুটা* সাধু কথাৰ নাম লিখা।

(খ) 'বুৰঞ্জী' শব্দৰ অৰ্থ কি?

(গ) কামৰূপী প্ৰাকৃত মানে কি?

(ঘ) গদ্যত ৰচিত *দুখন* চৰিতপুথিৰ নাম লিখা।

(ঙ) কোনে, ক'ৰ পৰা চৰ্যাপদসমূহ উদ্ধাৰ কৰিছিল?

৩। তলৰ *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৪=২০

(ক) মাধৱ কন্দলি বা শংকৰদেৱৰ গ্ৰন্থক আধাৰ হিচাপে লৈ পুৰণি অসমীয়া কবিসকলে অনুবাদৰ ক্ষেত্ৰত কেনে ৰীতি গ্ৰহণ কৰিছিল, লিখা।

(খ) অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত চৰিতপুথিসমূহৰ গুৰুত্ব কেনেধৰণৰ, বুজাই লিখা।

(গ) অসমীয়া ভাষাৰ বৰ্ণবিন্যাসক নিৰ্দিষ্ট ৰূপ দিবৰ বাবে হেমচন্দ্ৰ বৰুৱাই কি ভূমিকা পালন কৰিছিল, লিখা।

(ঘ) মন্ত্ৰপুথি সম্পৰ্কে *এটি* চমু টোকা প্ৰস্তুত কৰা।

(ঙ) চৰ্যাপদৰ ভাষাগত বৈশিষ্ট্য সামৰি চমুকৈ লিখা।

(চ) অসমীয়া ভাষাৰ উদ্ভৱৰ বিষয়ে *এটা* টোকা লিখা।

৪। (ক) 'অচমিয়া লৰাৰ মিত্ৰ'ৰ আধাৰত আধুনিক অসমীয়া গদ্যলৈ আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান সম্পৰ্কে লিখা। ১০

*নাইবা*

(খ) 'বুঢ়ী আইৰ সাধু' সংকলনৰ *যিকোনো এটা* সাধুৰ আলমত কাহিনীকওঁতা হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ বৈশিষ্ট্যসমূহ দাঙি ধৰা।

৫। (ক) বুৰঞ্জীৰ ভাষাগত বৈশিষ্ট্য আলোচনা কৰি *এটি* টোকা লিখা। ১০

*নাইবা*

(খ) বুৰঞ্জী আৰু চৰিতপুথিৰ গদ্যৰ তুলনাত্মক বিচাৰ দাঙি ধৰা।

৬। (ক) মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষাগত বৈশিষ্ট্য উল্লেখ কৰি *এটি* আলোচনা যুগুত কৰা। ১০

*নাইবা*

(খ) শংকৰদেৱৰ 'দশম' গ্ৰন্থৰ ভাষাগত বিশ্লেষণ কৰি অসমীয়া ভাষাৰ বিকাশত শংকৰদেৱৰ ভূমিকা সম্পৰ্কে *এটি* মূল্যায়ন দাঙি ধৰা।

৭। (ক) অসমীয়া ভাষাৰ ইতিহাসক কি কি যুগত ভাগ কৰা হয়? প্ৰতিটো যুগৰ পৰিচয় দি অসমীয়া ভাষাৰ বিকাশৰ *এটি* ৰূপৰেখা দাঙি ধৰা। ১০

*নাইবা*

(খ) অসমীয়া ভাষাৰ উদ্ভৱ তথা বিকাশত তামৰ ফলি, চৰ্যাপদ আৰু বড়ু চণ্ডীদাসৰ 'শ্ৰীকৃষ্ণ কীৰ্ত্তন'ৰ গুৰুত্ব দেখুৱাই আলোচনা কৰা।

---